Krishna Kanta Handiqui State Open University

MA 4th Sem. Examination, 2016

বিষয় ঃ অসমীয়া

অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ

সময় ঃ ৩ ঘণ্টা *মুঠ নম্বৰ ঃ ৮০*

১। তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×৫=১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'সংলাপ' আলোচনীখন কাৰ সম্পাদনাত কেতিয়া প্ৰকাশ পাইছিল? ইয়াৰ সৰ্বমুঠ কেইটা সংখ্যা প্ৰকাশ পাইছিল?

(খ) জোনাকী যুগৰ কবিসকলে ক'ৰ ক'ৰ পৰা কাব্যৰ সমল আৰু প্ৰেৰণা লাভ কৰিছিল?

(গ) লক্ষ্মীনাথ বেজবৰুৱাই জয়মতী কুঁৱৰী, বেলিমাৰ আদি নাটকত সৃষ্টি কৰা খুহুতীয়া চৰিত্ৰবোৰৰ আধাৰস্বৰূপ কি আছিল? এনে চৰিত্ৰ সৃষ্টিৰ প্ৰয়োজনীয়তা কি বুলি আপুনি ভাৱে?

(ঘ) জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ প্ৰধান ধাৰাটো কেনে আছিল?

(ঙ) হেম বৰুৱাৰ কবিতাৰ প্ৰধান সুৰটো কেনে বুলি আপুনি অনুভৱ কৰে?

(চ) অসমীয়া গল্প সাহিত্যত মাৰ্ক্সীয় চিন্তাধাৰাৰ প্ৰকাশ কেতিয়াৰ পৰা আৰম্ভ হয়? কোন কোন গল্পকাৰৰ গল্পত ইয়াৰ প্ৰভাৱ গভীৰ?

২। তলৰ যিকোনো *তিনিটাৰ* চমুটোকা লিখক ঃ ৪×৩=১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) প্ৰতীক আৰু চিত্ৰকল্পই যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ প্ৰথম পৰ্বত কেনে স্থান লাভ কৰিছিল বহলাই লিখক।

(খ) অসমীয়া নাটকত বাৰ্টল্ট ব্ৰেখ্‌ট্‌ৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখক।

(গ) ৰজনীকান্ত বৰদলৈক কিয় অসমীয়া স্কট বুলি অভিহিত কৰা হয়?

(ঘ) যুদ্ধোত্তৰ যুগৰ চুটিগল্পত পশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি আলচ যুগুত কৰক।

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৬×৩=১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) নীলমণি ফুকনৰ কবিতাত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

(খ) 'কেঁচা পাতৰ কঁপনি' উপন্যাসখনত দেখা পোৱা পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰক।

(গ) চমুটোকা লিখক—
অসমীয়া উপন্যাসত চেতনাস্ৰোত পদ্ধতিৰ প্ৰয়োগ

(ঘ) ৰামধেনু যুগৰ অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ১০×৪=৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) সত্তৰৰ দশকৰ পৰৱৰ্তী অসমীয়া কবিতাত কেনেধৰণৰ নতুন চিন্তাৰ প্ৰতিফলন ঘটিছে পৰ্যালোচনা কৰক।

(খ) "স্বাধীনতা লাভৰ আগলৈকে অসমীয়া নাট্য সাহিত্যত শ্বেইক্সপীয়েৰৰ একক প্ৰভাৱ পৰিস্ফুট হয়।"— কথাষাৰৰ যুক্তিযুক্ততা উদাহৰণসহ প্ৰতিপন্ন কৰক।

(গ) যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা আগবঢ়াওক।

(ঘ) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্বৰ (১৯৪০-৭০) অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

(ঙ) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্ব আৰু দ্বিতীয় পৰ্বৰ অসমীয়া উপন্যাসত দেখা পোৱা পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি তুলনামূলক আলোচনা লিখি উলিয়াওক।

——×——